**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে যুৱ প্ৰজন্মক মাদক দ্ৰব্যৰ বিৰুদ্ধে শক্তিশালী স্থিতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাট আৰু মহাৰাষ্ট্ৰ ভ্ৰমণ কৰিব।

৩। মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত পৰহিলৈ নৱম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ মুকলি কৰিব।

৪। ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ অধ্যক্ষ ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱে কয়, যে বিশুদ্ধ বায়ু হৈছে আমাৰ মৌলিক আৱশ্যকতা।

আৰু

৫। ২০ বছৰ অনুৰ্ধ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে কুৰি বছৰ পাছত মূল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে।

০০০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে আজি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অভিৰ্বতন কেন্দ্ৰত শিক্ষাৰ্থী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু বিশিষ্ট নাগৰিকৰ সৈতে মত বিনিময় কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে যুৱ প্ৰজন্মক মাদক দ্ৰব্যৰ বিৰুদ্ধে শক্তিশালী স্থিতি গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানতে তেওঁ সকলোকে মাদক দ্ৰব্যমুক্ত সমাজ গঢ়াৰ বাবে সংকল্প পাঠ কৰোৱায়। তেওঁ কয় যে শিক্ষানুষ্ঠান এখনৰ মূল্য কেৱল ৰেংকিং লাভতেই সীমাবদ্ধ নহয়, ৰূপান্তৰৰ সাধনাও ইয়াৰ অন্যতম উদ্দেশ্য। গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষা, সাহিত্য, বিজ্ঞান তথা বৌদ্ধিক ক্ষেত্ৰলৈ মানৱ সম্পদৰ বৰঙণি আগবঢ়াই আহিছে বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মত প্ৰকাশ কৰে। বিশ্ববিদ্যালয়খনে তামিল ভাষাৰ গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰা কাৰ্যক প্ৰশংসা কৰি কয় যে তেওঁ তামিলনাডু বিশ্ববিদ্যালয়ক অসমীয়া ভাষাৰ গ্ৰন্থ তামিল ভাষালৈ অনুবাদৰ বাবে আহ্বান জনাব। তেওঁ বিশ্ববিদ্যালয়খনক উচ্চ শিক্ষাদান প্ৰক্ৰিয়া উদ্ভাৱনীমূলক কৰি তুলিবলৈ আহ্বান জনায়।

বাইট (উপ-ৰাষ্ট্ৰপতি)

শিক্ষাক্ষেত্ৰৰ উপৰি অসমৰ দ্ৰুত সামগ্ৰিক উন্নয়নৰ বাবে তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জ্ঞাপন কৰে। ৰাজ্য চৰকাৰে মুঠ ঘৰুৱা উৎপাদন বৃদ্ধি, আন্তঃগাঁথনি বিকাশ আৰু নিয়োগ সৃষ্টিত অভুতপূৰ্ব ভূমিকা পালন কৰিছে বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পূৰ্বে উপ-ৰাষ্ট্ৰপতিগৰাকী অনুষ্ঠানত উপস্থিত পোৱাৰ পাছতে এন চি চি আৰু এন এছ এছৰ সদস্যসকলে অভিবাদন জনায়। তাৰ পাছতে ৰাষ্ট্ৰীয় গীত বন্দে মাতৰম, ৰাষ্ট্ৰীয় সংগীত, অসম সংগীত আৰু বিশ্ববিদ্যালয়ৰ সংগীত **জিলিকাব লুইতৰে পাৰ** পৰিৱেশন কৰা হয়। এই অনুষ্ঠানত ৰাজ্যপাল তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্য, মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্য সচিব ড০ ৰবি কোটা আৰু পঞ্জীয়ক উৎপল শৰ্মা উপস্থিত থাকে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ আধাৰশিলা স্থাপন অনুষ্ঠানতো উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে ভাগ লয়। ১১০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই প্ৰকল্পৰ ভিতৰত শৈক্ষিক ভৱন, ছাত্ৰাৱাস, আধুনিক মেছ ভৱন, কৃষ্ণকান্ত সন্দিকৈ পুথিভঁৰাল, বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহৰ আধুনিকীকৰণ, চতুৰ্থবৰ্গৰ কৰ্মচাৰীসকলৰ বাবে আৱাস নিৰ্মাণ আদি অন্যতম। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড০ ননীগোপাল মহন্তই উদ্বোধনী ভাষণত বিশ্ববিদ্যালয়খনে সুদীৰ্ঘ কাল ধৰি অসমৰ শৈক্ষিক আৰু সামাজিক জীৱনলৈ আগবঢ়াই অহা অৱদানৰ বিষয়ে উল্লেখ কৰে। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষা নীতি ৰূপায়ণ কৰা দেশৰ প্ৰথমখন বিশ্ববিদ্যালয় বুলি প্ৰকাশ কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই মুগাৰ অংগবস্ত্ৰ, শৰাই আৰু নামসিংহৰে উপ-ৰাষ্ট্ৰপতিক আদৰণি জনায়। ইয়াৰ পাছতে ৰাধাকৃষ্ণণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত দুখন গ্ৰন্থ - চন্দ্ৰকান্ত অভিধানৰ পঞ্চম সংস্কৰণ আৰু Bhupen Hazarika -Hundred Years of Wandering Song আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক ঐতিহ্যৰ সৈতে গুৱাহাটী বিশ্ববিদ্যালয় সংপৃক্ত হৈ আছে বুলি উল্লেখ কৰে। তেওঁ কয় যে অঞ্চলটোৰ বিলুপ্তিৰ পথত থকা ভাষাসমূহৰ সংৰক্ষণ আৰু পুনৰুজ্জীৱিতকৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা তথা বিজ্ঞান মানসিকতা আৰু সময়োপযোগী জ্ঞানৰ মাজত সংযোগ স্থাপনৰ প্ৰয়াসে সমাজৰ প্ৰতি থকা বিশ্ববিদ্যালয়খনৰ দায়বদ্ধতাকে প্ৰতিফলিত কৰে।

শ্ৰীৰাধাকৃষ্ণণে আজি পুৱাৰ ভাগত কামাখ্যা মন্দিৰ দৰ্শন কৰি মা কামাখ্যাৰ আশীষ লয়। মন্ত্ৰী অজন্তা নেওগে এই দৰ্শন কালত উপ-ৰাষ্ট্ৰপতিগৰাকীক সংগ দিয়ে।

উপ-ৰাষ্ট্ৰপতিগৰাকী অসম ভ্ৰমণ সামৰি আজি মেঘালয়ৰ ৰাজধানী শ্বিলঙলৈ ৰাওনা হ'ব। তাত তেওঁ ছ'ছ'থাম প্ৰেক্ষাগৃহৰ এটা ৰাজহুৱা অভ্যৰ্থনা আৰু সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকী কাইলৈ ইম্ফললৈ যাব।

তেওঁ মাইৰংস্থিত আই এন এ সংগ্ৰহালয় তথা যুদ্ধস্মাৰক আৰু ইম্ফল সৈনিক বিদ্যালয় পৰিদৰ্শন কৰিব। ইয়াৰ পাছতে উপ-ৰাষ্ট্ৰপতিগৰাকী অৰুণাচল প্ৰদেশৰ ৰাজধানী ইটানগৰলৈ ৰাওনা হ'ব। ভ্ৰমণৰ অন্তিম দিনা শ্ৰীৰাধাকৃষ্ণণে অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেশনত ভাগ ল'ব আৰু বিধানসভা বিথীকা তথা সংগ্ৰহালয় পৰিদৰ্শন কৰিব। তেওঁ লগতে ইটানগৰস্থিত জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰহালয় আৰু শ্ৰৱণ শক্তিৰহিত তথা দৃষ্টিৰহিত শিক্ষাৰ্থীৰ বাবে থকা ডঞি প'লো মিছন বিদ্যালয়ো পৰিদৰ্শন কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ গুজৰাট আৰু মহাৰাষ্ট্ৰ ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীয়ে বদোদৰাত ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ২০ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে বিকশাই তোলা ৱেষ্টাৰ্ণ ডেডিকেটেড ফ্ৰেইট কৰিড'ৰৰ তিনিটা গুৰুত্বপূৰ্ণ অংশ ৰাষ্ট্ৰৰ সেৱাত উৎসৰ্গা কৰিব। প্ৰধানমন্ত্ৰীয়ে নিউ সানন্দ (উত্তৰ), নিউ মকৰপুৰা, নিউ আম্বাৰগাঁও আৰু নিউ জে এন পি টি মুম্বাইৰ পৰা মালবাহী ৰে'ল সেৱাও মুকলি কৰিব। তেওঁ লগতে বদোদৰা আৰু টাণ্ডা ৰোডৰ মাজত এখন নতুন ৰে'ল সেৱাৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণ কালত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ তিনিটা ৰে'ল প্ৰকল্প আৰু এহেজাৰ ৭৮০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা ৰাষ্ট্ৰীয়

ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় দুহেজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষে গুজৰাট চৰকাৰৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে মহাৰাষ্ট্ৰৰ মুম্বাইত গোলকীয় ফিন্‌টেক মহোৎসৱ ২০২৬ উদ্বোধন কৰাৰ উপৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব।

০০০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে বাৰাণসীত পৰহিলৈ নৱম ৰাষ্ট্ৰীয় পোষণ মাহ ২০২৬ মুকলি কৰিব। পোষণৰ দ্বিতীয় সংস্কৰণ আৰু সক্ষম অংগনৱাড়ী মিছনৰ অধীনত পৰিপূৰক পুষ্টি আঁচনিৰ নিয়মাৱলীৰ সংশোধনীৰে চলিত বৰ্ষত এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। অংগনৱাড়ী ব্যৱস্থাপনা সমিতিৰ গঠন আৰু প্ৰথমবাৰৰ বাবে গৰম ৰন্ধা খাদ্য আৰু পৰিপূৰক পুষ্টি কাৰ্যসূচীৰ খাদ্যৰ তালিকা প্ৰস্তুতৰ পৰিষদ গঠনৰ নিৰ্দেশ দিয়া হ'ব। পৰিপুষ্ট ভাৰতক আধাৰ হিচাপে লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২০৪৭ চনৰ বিকশিত ভাৰতৰ লক্ষ্যৰ বাবে ২০১৮ চনত ৰাষ্ট্ৰীয় বিকাশ কাৰ্যসূচীৰ অধীনত পোষণ অভিযান আৰম্ভ কৰা হৈছিল। মহিলা, শিশু আৰু কিশোৰ-কিশোৰীৰ মাজত পৰিপুষ্টি, স্বাস্থ্য আৰু স্বাস্থ্য যতনৰ অভ্যাস গঢ়ি তোলাৰ বাবে প্ৰতিবছৰে ছেপ্তেম্বৰ মাহত পালন কৰা পোষণ মাহৰ কাৰ্যসূচী গণ আন্দোলন হিচাপে পৰিগণিত হৈছে। কেন্দ্ৰীয় মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণা দেৱীয়ে **হামাৰী অংগনৱাড়ী, হামাৰী জিম্মেদাৰী** শীৰ্ষৰে এই কাৰ্যসূচী মুকলি কৰিব।

০০০০০০০০

লাক্‌জেমবাৰ্গৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জেভিয়াৰ বেটেল ভাৰত ভ্ৰমণসূচীৰে আজি নতুন দিল্লীত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে শ্ৰীবেটেলে আজি ৰাষ্ট্ৰীয় ৰাজধানীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰৰ সৈতে বৈঠকত মিলিত হ'ব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত বৈদেশিক মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে উপ-প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে ভাৰত আৰু লাক্‌জেমবাৰ্গৰ মাজৰ বহুপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ সুযোগ দিব।

০০০০০০০০

ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণৰ অধ্যক্ষ ন্যায়াধীশ প্ৰকাশ শ্ৰীবাস্তৱে কয়, যে বিশুদ্ধ বায়ু হৈছে আমাৰ মৌলিক আৱশ্যকতা আৰু ই পৰিৱেশৰ বিলাসিতা নহয়। নতুন দিল্লীত আজি **নীলা আকাশ** বাবে আয়োজিত আন্তঃৰাষ্ট্ৰীয় বিশুদ্ধ বায়ু দিৱসৰ কাৰ্যসূচীত সম্বোধন কৰি ন্যায়াধীশ শ্ৰীবাস্তৱে কয়, যে সুস্থ জীৱন-যাপনৰ বাবে বিশুদ্ধ বায়ুৱে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ কয়, যে বায়ু প্ৰদূষণলৈ ভয় নকৰাকৈ শিশুসকলে যাতে ঘৰৰ বাহিৰত খেলা-ধূলা কৰিব পাৰে আৰু বয়োজ্যেষ্ঠসকলে পুৱাৰ ভাগত খোজকাঢ়িব পাৰে সেই দিশটো নিশ্চিত কৰা উচিত। আজিৰ অনুষ্ঠানত বায়ুৰ গুণাগুণ উন্নত কৰাৰ দিশত প্ৰচেষ্টা বাবে শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা ৰাজ্য, চহৰ আৰু ৱাৰ্ডক তিনিটা শাখাত স্বচ্ছ বায়ু সৰ্বেক্ষণ বঁটা প্ৰদান কৰা হয়।

০০০০০০০০

নতুন দিল্লীৰ সত্য নিকেতন এলেকাত এটা অট্টালিকা খহি পৰা ঘটনাত মৃত্যু হোৱা লোকৰ সংখ্যা ৬ লৈ বৃদ্ধি হৈছে। নতুন দিল্লীৰ সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান এইমছৰ সূত্ৰই জানিবলৈ দিছে যে অট্টালিকাটো খহি পৰাৰ পাছত চিকিৎসালয়লৈ অনা ১১ গৰাকী লোকৰ ভিতৰত ৫ গৰাকীক মৃত অৱস্থাত অনা হৈছিল। ইয়াৰে গুৰুতৰভাৱে

আহত আন এগৰাকী লোকৰ পাছত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বৰ্তমান ৩ গৰাকী লোকক চিকিৎসালয়ত ভৰ্তি কৰোৱাৰ বিপৰীতে এগৰাকীক প্ৰাথমিক চিকিৎসা প্ৰদান কৰি চিকিৎসালয়ৰ পৰা যাবলৈ দিয়া হৈছে।

দিল্লীৰ মুখ্যমন্ত্ৰী ৰেখা গুপ্তাই মন্ত্ৰী মজিন্দৰ সিং ছিৰছাৰ সৈতে আজি পুৱা ঘটনাস্থলী পৰিদৰ্শন কৰে। সংবাদ মাধ্যমৰ আগত তেওঁ কেইবা দশক পুৰণি বহুমহলীয়া অট্টালিকাটোৰ প্ৰায় ৮০ শতাংশ ধ্বংসাৱশেষ আঁতৰোৱাৰ কাম সম্পূৰ্ণ হৈছে বুলি জানিবলৈ দিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে ধ্বংসাৱশেষৰ পৰা ১২ গৰাকী লোকক উদ্ধাৰ কৰা হয় আৰু ইয়াৰে ৬ গৰাকী লোকৰ মৃত্যু হয়। অট্টালিকাটোৰ স্বত্বাধিকাৰীৰ অৱহেলাৰ বাবে এনে ঘটনা সংঘটিত হ’ল বুলি তেওঁ উল্লেখ কৰি স্বত্বাধিকাৰীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ’ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এনে ধৰণৰ অট্টালিকাসমূহ চিনাক্ত কৰি ধ্বংস কৰা হ’ব বুলি প্ৰকাশ কৰে।

০০০০০০০০

২০ বছৰ অনুৰ্ধ এ এফ চি এছিয়ান কাপ ফুটবল প্ৰতিযোগিতাত ভাৰতে কুৰি বছৰ পাছত মূল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে। কালি টাস্কেণ্টত অনুষ্ঠিত যোগ্যতা নিৰ্ণয়কাৰী চূড়ান্ত খেলখনত বাংলাদেশক ৩-০ গ’লত পৰাস্ত কৰি ভাৰত মূল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতা অহা বছৰৰ ২৪ মাৰ্চৰ পৰা ১০ এপ্ৰিললৈ চীনত অনুষ্ঠিত হ’ব।

০০০০০০০০

সমাপ্ত